**প্ৰধানমন্ত্ৰীয়ে আৰৱ উপসাগৰীয় গালফ্ কাপত কুৱেইটৰ মহামান্য আমীৰৰ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে**

21 ডিচেম্বৰ, 2024

কুৱেইটৰ আমীৰ মহামান্য শ্বেখ মিছাল আল-আহমাদ আল-জাবেৰ আল-ছাবাহৰ আমন্ত্ৰণত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেইটত অনুষ্ঠিত 26সংখ্যক আৰৱ উপসাগৰীয় গালফ্ কাপৰ উদ্বোধনী অনুষ্ঠানত 'সন্মানীয় অতিথি' হিচাপে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে মহামান্য আমীৰ, মহামান্য ৰাজকুমাৰ আৰু কুৱেইটৰ প্ৰধানমন্ত্ৰী মহামান্য প্ৰধানমন্ত্ৰীৰ সৈতে এই বিশাল উদ্বোধনী অনুষ্ঠানৰ সাক্ষী হয়। এই অনুষ্ঠানটোৱে কুৱেইটৰ নেতৃত্বৰ সৈতে প্ৰধানমন্ত্ৰীৰ অনানুষ্ঠানিক বাৰ্তালাপৰ সুযোগ প্ৰদান কৰে।

2. কুৱেইটে GCC ৰাষ্ট্ৰ, ইৰাক আৰু য়েমেনকে ধৰি আঠখন দেশৰ অংশগ্ৰহণেৰে দ্বিবাৰ্ষিক আৰৱ উপসাগৰীয় গালফ্ কাপৰ আয়োজন কৰিছে। এই ফুটবল প্ৰতিযোগিতাখন অঞ্চলটোৰ অন্যতম বিশিষ্ট ক্ৰীড়া প্ৰতিযোগিতা হিচাপে বিবেচিত হৈছে। কুৱেইটে প্ৰতিযোগিতাখনত অংশগ্ৰহণকাৰী দেশসমূহৰ মাজত সৰ্বাধিক সংখ্যক জয় লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সকলো অংশগ্ৰহণকাৰী দেশলৈ শুভেচ্ছা জ্ঞাপন কৰে।

কুৱেইট চহৰ

21 ডিচেম্বৰ, 2024